অধ্যায় ১৪ ঃ ভাষা বিজ্ঞান (সাধাৰণ আলোচনা)

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ ভাষা বিজ্ঞান শব্দৰ অর্থ

১৪.৪ ভাষা বিজ্ঞানৰ বিষয় বস্তু

- ১৪.৪.১ ধ্বনি বিজ্ঞান (সংস্কৃত ভাষা প্ৰসঙ্গত)
- ১৪.৪.২ পদ বিজ্ঞান (সংস্কৃত ভাষা প্ৰসঙ্গত)
- ১৪.৪.৩ শব্দ ব্যুৎপত্তি বিজ্ঞান বা শব্দার্থ বিজ্ঞান (সংস্কৃত ভাষা প্ৰসঙ্গত)
- ১৪.৪.৪ বাক্য বিজ্ঞান (সংস্কৃত ভাষা প্ৰসঙ্গত)
- ১৪.৪.৫ ধ্বনি পৰিৱৰ্তনৰ নিয়ম (সংস্কৃত ভাষা প্ৰসঙ্গত)

১৪.৫ ভাষা বিজ্ঞানৰ প্ৰয়োজনীয়তা

১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৭ অধিক জানিবলৈ

১৪.৮ অগ্ৰগতিৰ খতিয়ান

১৪.৯ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাষা বিজ্ঞান শব্দৰ বিস্তৃত অর্থৰ বিষয়ে জানিব পাৰিব
- ভাষা বিজ্ঞানৰ বিষয়বস্তু সম্পর্কে অৱগত হ'ব পাৰিব
- সংস্কৃত ভাষাৰ ধ্বনিসমূহৰ বিষয়ে জানিব পাৰিব
- সংস্কৃত ভাষাৰ পদগঠন প্ৰক্ৰিয়াৰ বিষয়ে জানিব পাৰিব
- শব্দার্থ বিজ্ঞান বা শব্দ ব্যুৎপত্তি বিজ্ঞানৰ বিষয়ে অৱগত হ'ব পাৰিব
- সংস্কৃত ভাষাৰ বাক্যবিজ্ঞান বা বাক্যবিন্যাস প্ৰক্ৰিয়াৰ লগত পৰিচিত হ'ব পাৰিব
- ধ্বনি পৰিৱৰ্তনৰ নিয়মবোৰৰ বিষয়ে জানিব পাৰিব
- ভাষা বিজ্ঞানৰ প্ৰয়োজনীয়তা তথা গুৰুত্বৰ বিষয়ে অৱগত হ'ব পাৰিব।

১৪.২ পৰিচয়

আপোনালোকে ইতিমধ্যে ভাষাতত্ত্বৰ বিষয়ে অধ্যয়ন কৰিছে। ভাষাতত্ত্ব বিষয়ৰ অধ্যায়ত আপোনালোকে ভাষা বিজ্ঞানৰ এক চমু পৰিচয় লাভ কৰিছে। আধুনিক যুগত ভাষা বিজ্ঞান এটি

অতি গুৰুত্বপূৰ্ণ বিষয় হিচাপে চিহ্নিত হৈছে। ভাষাৰ বিষয়ে অধ্যয়ন কৰিব গ'লে ভাষা বিজ্ঞানৰ জ্ঞান থকাতো বাঞ্ছনীয়। ভাষাবিজ্ঞানৰ জ্ঞান থাকিলে এটা ভাষাৰ লগত আন আন ভাষাৰ সম্বন্ধৰ বিষয়েও জনা যায়। আপোনালোকে ইতিমধ্যে জানিছে যে সংস্কৃত ভাষা পৃথিৱীৰ প্ৰাচীন ভাষাসমূহৰ ভিতৰত এটা আৰু গ্ৰীক আৰু লেটিন ভাষাৰ লগত মূলগতভাৱে সংস্কৃতভাষাৰ গভীৰ সম্বন্ধ আছে। কাৰণ তিনিওটা ভাষাৰে মূল হিচাপে ভাৰোপীয় ভাষাক স্বীকৃতি দিয়া হৈছে। এই সংস্কৃত ভাষাত ধ্বনি, ধ্বনি বিৱৰ্তনৰ নিয়মাৱলী, পদপ্ৰক্ৰিয়া, শব্দাৰ্থপ্ৰক্ৰিয়া তথা বাক্যাৰ্থবিন্যাস আদি ভাষাগতকাৰ্যসমূহৰ বিশেষ এটা ধাৰা আছে। ভাষা বিজ্ঞানৰ জৰিয়তে এই সকলো বিষয়ৰ জ্ঞান লাভ কৰা যায়। সংস্কৃত ভাষাৰ ছাত্ৰ ছাত্ৰীসকলৰ বাবে এই বিষয়টোৰ অধ্যয়ন বিশেষভাৱে প্ৰয়োজনীয়। এই সকলো কথা আগত ৰাখি বৰ্তমান অধ্যায়টোৰ বিষয়বস্তু নিৰ্বাচন কৰা হৈছে। ভাষাবিজ্ঞানৰ এই সাধাৰণ আলোচনাই শিক্ষাৰ্থীসকলক পৰৱৰ্তী পৰ্যায়ৰ অধ্যয়নৰ ক্ষেত্ৰত বিশেষ সহায়ক হ'ব বুলি ক'ব পৰা যায়।

১৪.৩ ভাষা বিজ্ঞান শব্দৰ অৰ্থ

আপোনালোকে ইতিমধ্যে ভাষাতত্ত্বৰ বিষয়ে অধ্যয়ন কৰিব গৈ ভাষাবিজ্ঞানৰ মূল বিষয়টো সম্বন্ধে প্ৰাথমিক পৰ্যায়ৰ জ্ঞান লাভ কৰিছে। বৰ্তমান অধ্যায়টোত ভাষাবিজ্ঞান শব্দটোৰ অৰ্থ বহলভাৱে আলোচনা কৰা হ'ব।

ভাষাবিজ্ঞান শব্দটো দুটা শব্দৰ সমাসবদ্ধ ৰূপ। ভাষাৰ বিজ্ঞান অথবা ভাষাসম্বন্ধীয় বিজ্ঞান এইদৰে ভাষাবিজ্ঞান শব্দটোৰ ভাঙনি কৰা যায়। বিজ্ঞান শব্দটোৱে বিশেষ জ্ঞান বা বিশিষ্ট জ্ঞানক বুজায়। গতিকে যি বিদ্যাই ভাষাৰ বিষয়ে বিশিষ্ট জ্ঞান বা বিশেষ জ্ঞান দিয়ে তাকেই ভাষাবিজ্ঞান বুলি কোৱা হয়। সমাজত প্ৰচলিত ভাষাৰ ঐতিহাসিক, সাহিত্যিক, বৈজ্ঞানিক আদি বিভিন্ন দিশ থাকে। এটা ভাষাৰ বৈজ্ঞানিক দিশটোক বিশেষভাৱে আলোচনা কৰাটোৱেই হ'ল ভাষাবিজ্ঞানৰ লক্ষ্য।

ভাষা মানুহৰ শাৰীৰিক অঙ্গ প্ৰত্যঙ্গৰ লগত জড়িত। তদুপৰি ই মানুহৰ মগজুৰ উৰ্বৰতাৰ স্বাক্ষৰো বহন কৰে। গতিকে ভাষাৰ লগত মানুহৰ গভীৰ শাৰীৰিক আৰু মানসিক প্ৰক্ৰিয়া জড়িত হৈ আছে। মানুহৰ শৰীৰ আৰু মন অথবা মস্তিষ্কৰ বিকাশৰ লগতেই ভাষাৰ বিকাশ প্ৰক্ৰিয়াটো জড়িত। এতেকে এই বিষয়টোৰ বৈজ্ঞানিক অধ্যয়ন অত্যন্ত প্ৰয়োজনীয়। ভাষাবিজ্ঞানে এই দিশত অৱিহণা যোগায়। ভাষাবিজ্ঞান শব্দটোৱে ভাষাৰ প্ৰকৃতি তথা ইয়াৰ যোগাযোগৰ বিষয়ে আলোচনা কৰে। ভাষাতত্ত্বৰ পৰা এই ক্ষেত্ৰখনক বেলেগ হিচাপে দেখুৱাবলৈ ভাষাবিজ্ঞান শব্দটোৰ ব্যৱহাৰ কৰা হৈছে। ঊনবিংশ শতিকাৰ মাজভাগতহে ভাষাবিজ্ঞান (Linguistics) শব্দটোৰ বহল ব্যৱহাৰ হোৱা দেখা যায়। ইয়াৰ পূৰ্বকালীন সময়ছোৱাত ভাষা বিষয়ক অধ্যয়ন ভাষাতত্ত্বৰ অন্তৰ্ভুক্ত আছিল। কিন্তু ঊনবিংশ শতিকাৰ মধ্যভাগৰ পৰা ভাষা বিষয়ক বৈজ্ঞানিক অধ্যয়ন আৰম্ভ হোৱা দেখা যায়।

ভাষাবিজ্ঞান শব্দটোৱে ভাষাত ব্যৱহাৰ হোৱা নিয়মাৱলীৰ বিষয়ে পুংখানুপুংখ আলোচনা

আগবঢ়ায়। এটা ভাষা বা কিছুমান ভাষাক একে লগ কৰি ভাষাবিজ্ঞানে সেই বৰ্গীকৃত ভাষাবোৰত ব্যৱহাৰ হোৱা নিয়মাৱলীবোৰৰ বৈজ্ঞানিক ব্যাখ্যা আগবঢ়ায়। শব্দ, অর্থ, বাক্যার্থ-বিশ্লেষণ, তথা বর্ণৰ সামূহিক ৰূপত ভাষাৰ ব্যৱহাৰ হৈ থাকে সমাজত। প্ৰত্যেক ভাষাৰ কিছুমান বিশেষ বৈশিষ্ট্যৰ লগতে থাকে কিছু সাধাৰণ বৈশিষ্ট্য। লগতে ভাষাত কিছু সাধাৰণ বৈজ্ঞানিক নিয়মৰ আশ্রয় লোৱা হয়। ভাষাবিজ্ঞান শব্দটোৱে ভাষাৰ লগত জড়িত এই সকলোবোৰ দিশক অন্তর্ভুক্ত কৰে।

১৪.৪ ভাষা বিজ্ঞানৰ বিষয় বস্তু

আপোনালোকে ইতিমধ্যে ভাষাবিজ্ঞান শব্দটোৰ লগত পৰিচিত হৈছে। ইয়াৰ আগৰ অধ্যায়টোৰ পৰা আপোনালোকে জানিছে যে ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ মাজত যথেষ্ট প্ৰভেদ আছে। ভাষাবিজ্ঞানে ভাষাৰ বৈজ্ঞানিক দিশটো আলোচনা কৰে কাৰণে ভাষাৰ লগত জড়িত কিছু বিশেষ প্ৰক্ৰিয়া বা নিয়মনীতিক আলোচনাৰ বিষয়বস্তু কৰি লয়। এই বিষয়বস্তু বা সেইকাৰণে ভাষাবিজ্ঞানৰ বিষয়বস্তু কৰি লয়। এই বিষয়বস্তু বা দিশবোৰ প্ৰায় প্ৰত্যেকটো ভাষাৰ লগতে সম্পর্ক থকা বিষয়। সেইকাৰণে ভাষাবিজ্ঞানৰ বিষয়বস্তু সম্বন্ধে ধাৰণা থকাটো অত্যন্ত প্ৰয়োজনীয়। এই উদ্দেশ্য আগত ৰাখিহে বর্তমান অধ্যায়ত উক্ত বিষয়টোৰ অৱতাৰণা কৰা হৈছে।

এইখিনিতে মন কৰিবলগীয়া কথাটো হল যে যিহেতুকে বর্তমান অধ্যায়টো সংস্কৃতবিষয়ক শিক্ষার্থীৰ বাবে বিশেষভাৱে সংযোজিত হছে পাঠ্যক্ৰমত সেইকাৰণে ভাষাবিজ্ঞানৰ বিষয়বস্তু আলোচনা কৰাৰ প্ৰক্ৰিয়াটোত সংস্কৃত ভাষাকেই সমল হিচাপে লোৱা হৈছে। ভাষাবিজ্ঞানৰ বিষয়বস্তুৰ আধাৰত এই প্ৰসঙ্গত সংস্কৃত ভাষাৰ বৈজ্ঞানিক অধ্যয়নৰ ওপৰতেই গুৰুত্ব দিয়া হৈছে। কিন্তু সংস্কৃত ভাষাৰ লগত সম্বন্ধ থকা আন কিছু ভাষাৰ কথাও প্ৰসঙ্গক্ৰমে লোৱা হৈছে। এইধৰণে কৰা অধ্যয়নে শিক্ষার্থীসকলক ভাষাৰ বৈজ্ঞানিক দিশটোৰ লগত পৰিচয় কৰাই দিব বুলি আশা কৰিব পাৰি।

জানি থোৱা ভাল যে ভাষাসমূহৰ বর্গীকৰণৰ (Classification of language) ক্ষেত্ৰত দুটা পদ্ধতি অনুসৰণ কৰা হয়, যেনে— আকৃতিমূলক বর্গীকৰণ বা শ্রেণী বিভাজন (Morphological Classification) আৰু পৰিবাৰমূলক বর্গীকৰণ বা শ্রেণী বিভাজন (Classification on the basis of linguistic family) আকৃতিমূলক বর্গীকৰণ বা শ্রেণীবিভাজন প্ৰক্ৰিয়াত ভাষাসমূহৰ বাহ্যিকৰূপৰ ভিত্তিত বর্গীকৰণ কৰা হয়। সেয়েহে এই প্ৰক্ৰিয়াত ভাষাৰ মূল দুটা বিভাজন পোৱা যায়; যেনে— অসংযোগাত্মক ভাষা আৰু সংযোগাত্মক ভাষা। অসংযোগাত্মক ভাষাত প্ৰকৃতি-প্ৰত্যয়ৰ সংযোগত শব্দসৃষ্টি নহয়। যেনে— চীন দেশৰ ভাষা। এইধৰণৰ ভাষাক অযোগাত্মক ভাষা বুলিও কোৱা হয় (Isolating language) আনফালে, যিবোৰ ভাষাত ধাতু বা প্ৰকৃতিৰ লগত উপসর্গ বা প্ৰত্যয় আদি সংযুক্ত কৰি শব্দৰচনা কৰা হয় সেইবোৰ ভাষাক সংযোগাত্মক বা যোগাত্মক ভাষা (Infleetional language) বোলে। যেনে— সংস্কৃত ভাষা। আকৃতিমূলক বর্গীকৰণ বা শ্রেণীবিভাজন প্ৰক্ৰিয়াত বিভিন্ন উপবিভাগ দেখিবলৈ পোৱা যায়। আনফালে কিছু ভাষাৰ আভ্যন্তৰীণ সাধাৰণ বৈশিষ্ট্য তথা উৎসৰ একত্ব লক্ষ্য কৰি

ভাষা বৈজ্ঞানিক সকলে সেইবোৰক একোটা পৰিয়ালৰ অন্তর্ভুক্ত কৰি পৰিবাৰমূলক শ্রেণীবিভাজনৰ বিষয়টো উত্থাপন কৰিছে। পৃথিৱীত বহুসংখ্যক পৰিবাৰমূলক ভাষাৰ সন্ধান পোৱা গৈছে। যেনে— ভাৰোপীয়পৰিবাৰমূলক, দ্রাবিড় পৰিবাৰমূলক, ককেছীয় পৰিবাৰমূলক ইত্যাদি। ভাষাৰ বিষয়ে অধ্যয়ন কৰিব যাওতে এই শ্রেণীবিভাজনৰ প্রতি লক্ষ্য ৰাখি আগবঢ়া উচিত। উদাহৰণস্বৰূপে ক'ব পাৰি যে সংস্কৃত ভাষা ভাৰোপীয়পৰিবাৰমূলক ভাষা। এই শ্রেণীৰ অন্তর্ভুক্ত আন কিছু সংখ্যক ভাষা হ'ল গ্রীক, ৰোমান, গথিক, তোখাৰিয়ান ইত্যাদি। গতিকে ভাষাবিজ্ঞানৰ দৃষ্টিত সংস্কৃত ভাষাৰ বিষয়ে কৰা অধ্যয়নে ভাৰোপীয়পৰিবাৰমূলক ভাষাসমূহৰ বিষয়েও প্রাথমিক পর্যায়ৰ জ্ঞান দিব পাৰিব।

ভাষাবিজ্ঞানৰ ক্ষেত্রখনত বিশেষকৈ ধ্বনি, পদ, শব্দার্থ আৰু বাক্যার্থৰ পর্যালোচনা আৱশ্যক হৈ পৰে। এই উপক্ষেত্রসমূহৰ বৈজ্ঞানিক অধ্যয়নেই হ'ল ভাষাবিজ্ঞানৰ বিষয় বস্তু। সেইকাৰণে বর্তমান অধ্যায়ত সংস্কৃত ভাষা প্রসঙ্গত ধ্বনি বিজ্ঞান, পদবিজ্ঞান, শব্দার্থবিজ্ঞান তথা বাক্যবিজ্ঞানৰ দিশবোৰক সামৰি লোৱা হৈছে। বিষয়সমূহৰ বিশ্লেষিত আলোচনাই সংস্কৃত ভাষাসম্বন্ধীয় বৈজ্ঞানিক অধ্যয়নৰ ক্ষেত্রখনক বহল কৰি শিক্ষার্থীসকলক এই দিশত পৰৱর্তী পর্যায়ৰ অধ্যয়ন আগবঢ়াই লোৱাৰ বাবে সহায়ক হ'ব।

১৪.৪.১ ধ্বনি বিজ্ঞান (সংস্কৃত ভাষা প্রসঙ্গত)

প্রত্যেকটো ভাষাৰ মূলতেই আছে ধ্বনি বা বর্ণৰ ব্যৱহাৰ। ধ্বনি বা বর্ণসমূহৰ বিশেষ বিশেষ উচ্চাৰণস্থান থাকে। বর্ণ-উচ্চাৰণ প্রক্রিয়াটো যিহেতুকে সম্পূর্ণৰূপত এটি শাৰীৰিক প্রক্রিয়া, সেইবাবে শৰীৰৰ (বিশেষকৈ বাগ্‌যন্ত্রৰ) বিভিন্ন স্থানৰ লগত বর্ণ বা ধ্বনিৰ উচ্চাৰণ কার্য সংযুক্ত হৈ থাকে। বিষয়টো উদাহৰণৰ সৈতে আলোচনা কৰিব পাৰি। মানুহৰ শৰীৰত থকা বাগ্‌যন্ত্রকেই ধ্বনিযন্ত্র বুলি কোৱা হয়, কাৰণ এই যন্ত্রৰ সহায়তেই বর্ণসমূহ ধ্বন্যাত্মক (শব্দাত্মক) ৰূপত প্রকাশ পায়। বাগ্‌যন্ত্রত ধ্বনি উচ্চাৰণৰ প্রধান স্থানবোৰ হ'ল— নাসিকা, ওষ্ঠ, দন্ত, জিহ্বা, কণ্ঠ, তালু, কণ্ঠ-তালু, কণ্ঠৌষ্ঠ, দন্তৌষ্ঠ, মূর্ধা ইত্যাদি। সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা বর্ণ বা ধ্বনিবোৰ এই সকলো উচ্চাৰণ স্থানৰ একো একোটাৰ সৈতে বিশেষভাৱে যুক্ত হৈ থাকে। যেনে— অ, ক, খ, গ, ঘ, ঙ, হ— এই বর্ণসমূৰ উচ্চাৰণস্থান হ'ল কণ্ঠ; ই, চ, ছ, জ, ঝ, ঞ, য, শ— এই বর্ণসমূহৰ উচ্চাৰণস্থান হ'ল তালু ইত্যাদি

ধ্বনি উচ্চাৰণ প্রক্রিয়াত নির্দিষ্ট স্থানৰ উপৰিও আৰু এটা বিষয় জড়িত হৈ থাকে; সেয়া হ'ল প্রযত্ন। প্রকৃততে, নির্দিষ্ট স্থানৰ পৰা শ্রৱণযোগ্য হিচাপে ধ্বনি বা বর্ণক স্থাপন কৰাৰ বিশেষ প্রয়াসকেই প্রযত্ন বুলি কোৱা হয়। এই প্রযত্ন দুবিধ— আভ্যন্তৰ প্রযত্ন আৰু বাহ্য প্রযত্ন। আভ্যন্তৰ প্রযত্নক পাঁচটা ভাগত লোৱা হয়। যেনে— স্পৃষ্ট, ঈষৎস্পৃষ্ট, বিবৃত, ঈষৎবিবৃত আৰু সংবৃত। সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা ব্যঞ্জনবর্ণসমূহৰ ভিতৰত কৰ পৰা মলৈকে থকা বর্ণবোৰৰ আভ্যন্তৰ প্রযত্ন হ'ল স্পৃষ্ট। য, ব, ৰ আৰু ল

এই বর্ণসমূহৰ আভ্যন্তৰ প্রযত্ন হ'ল ঈষৎস্পৃষ্ট। শ, ষ,স, হ— এই উষ্মবর্ণসমূহৰ আভ্যন্তৰ পর্য্যন্ত ঈষৎবিবৃত। অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ঐ, ও আৰু ঔ — এই স্বৰবর্ণসমূহৰ উচ্চাৰণ প্রক্রিয়াত ব্যৱহাৰ হোৱা আভ্যন্তৰ প্রযত্ন হ'ল বিবৃত। হ্রস্ব অ কাৰৰ আভ্যন্তৰ প্রযত্ন প্রয়োগৰ ক্ষেত্রত ব্যৱহাৰ হোৱা আভ্যন্তৰ প্রযত্ন হ'ল সংবৃত। বাহ্যপ্রযত্নৰ ভাগ হ'ল একাদশসংখ্যক। সেইবোৰ হ'ল— বিবাৰ, শ্বাস, ঘোষ, অ-ঘোষ, সংবাৰ, নাদ, অল্পপ্রাণ, মহাপ্রাণ, উদাত্ত, অনুদাত্ত আৰু স্বৰিত। ইয়াৰ ভিতৰত উদাত্ত, অনুদাত্ত আৰু স্বৰিতৰ ব্যৱহাৰ বৈদিক সংস্কৃতত স্বৰবর্ণসমূহৰ উচ্চাৰণ প্রক্রিয়াত দেখিবলৈ পোৱা যায়। খ, ফ, ছ, ঠ, থ, চ, ট, ত, ক, প, শ, ষ, স— এই ব্যঞ্জনবর্গসমূহৰ উচ্চাৰণ প্রক্রিয়াত ব্যৱহাৰ হোৱা বাহ্যপ্রযত্নসমূহ হ'ল— শ্বাস, বিবাৰ আৰু অঘোষ। আনফালে হ, য, ব, ৰ, ল, ঞ, ম, ঙ, ণ, ন, ঝ, ভ, ঘ, ঢ়, ধ, জ, ব, গ, ড, দ— এই বর্ণসমূহৰ উচ্চাৰণ প্রক্রিয়াত ব্যৱহাৰ হোৱা বাহ্য প্রযত্নসমূহ হ'ল— সংবাৰ, নাদ আৰু ঘোষ। বর্গৰ প্রথম, তৃতীয় আৰু পঞ্চম বর্ণসমূহৰ বাহ্য প্রযত্ন হ'ল অল্পপ্রাণ। এতেকে বর্গৰ অন্তর্গত— ক, গ, ঙ; বর্গৰ অন্তর্গত চ, জ, ঞ; বর্গৰ অন্তর্গত ট, ড, ণ; তবর্গৰ অন্তর্গত ত, দ, ন; পবর্গৰ অন্তর্গত প, ব, ম— বর্ণসমূহ হ'ল অল্পপ্রাণ বর্ণ, তদুপৰি য, ৱ, ৰ আৰু ল বর্ণও অল্পপ্রাণবর্ণ। আনফালে, বর্গৰ দ্বিতীয়, চতুর্থবর্ণ আৰু শ, ষ, স, হ— এইবর্ণসমূহৰ বাহ্য প্রযত্ন হ'ল মহাপ্রাণ। গতিকে কবর্গৰ খ, ঘ; চবর্গৰ ছ, ঝ; বর্গৰ ঠ, ঢ়; ত বর্গৰ থ, ধ; বর্গৰ ফ ভ তথা শ, ষ স আৰু হ বর্ণ মহাপ্রাণবর্ণ।

এইদৰে সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা বর্ণসমূহৰ উচ্চাৰণ প্রক্রিয়াৰ বিষয়ে জনা যায়। এইখিনিতে মনকৰিবলগীয়া কথাটো হ'ল যে সংস্কৃত ভাষাৰ পূর্বজ হিচাপে চিহ্নিত ভাৰোপীয় ভাষাত ব্যৱহাৰ হোৱা বর্ণসমূহৰ উচ্চাৰণ প্রক্রিয়াৰ লগত সংস্কৃত ভাষাৰ ধ্বনি প্রক্রিয়াৰ কিছু সাদৃশ্য থাকিলেও বহুক্ষেত্রতেই ধ্বনিসমূহ বিশেষ বিশেষ নিয়মৰ ভিত্তিত পৰিবর্তিত ৰূপ গ্রহণ কৰা দেখিবলৈ পোৱা যায়। সংস্কৃত ভাষাৰ ধ্বনিবিজ্ঞান অধ্যয়ন কৰিলে এই বিষয়ে অৱগত হ'ব পাৰি। এইধৰণৰ অধ্যয়নে সংস্কৃত ভাষা তথা ভাৰোপীয় ভাষাৰ ধ্বনি বিষয়ক দিশটোক স্পষ্ট কৰি তোলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাষাবিজ্ঞান শব্দৰ অর্থ কি লিখক।
(৫০টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন নং ২ ঃ ভাষাবিজ্ঞানৰ বিষয়বস্তুৰ ওপৰত চমুটোকা লিখক (১০০টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন নং ৩ ঃ প্ৰযত্নৰ বিষয়ে এটা চমু আলোচনা আগবঢ়াওক (১৫০টা শব্দৰ ভিতৰত)

.....

.....

১৪.৪.২ পদ বিজ্ঞান (সংস্কৃত ভাষা প্ৰসঙ্গত)

প্ৰত্যেক ভাষাৰেই নিজা নিজা পদ থাকে। পদভাণ্ডাৰৰ বিশালতাই ভাষাৰ বিশালতাক তথা বিকাশক সূচায়। কিন্তু ভাষাবোৰত পদগঠনৰ বিশেষ বিশেষ নীতি বা নিয়ম থাকে। সকলো ভাষাতেই একোটা নিয়মতে পদগঠন প্ৰক্ৰিয়া অনুসৰণ কৰা নহয়। আকৌ একোটা পৰিয়ালৰ অন্তৰ্গত ভাষাবোৰৰ মাজতো পদ গঠন প্ৰক্ৰিয়াত কিছু পৰিমাণে হ'লেও ভিন্নতা দেখিবলৈ পোৱা যায়। প্ৰকৃততে ভাষা এটা প্ৰবহমান প্ৰক্ৰিয়া আৰু গতিমুক্ত হোৱা কাৰণে ভাষাত ব্যৱহাৰ হোৱা পদগঠন প্ৰক্ৰিয়াত বিভিন্ন সময়ত বিভিন্ন নিয়ম অনুসৰণ কৰা পৰিলক্ষিত হয়।

সংস্কৃত ভাষাত বিশাল শব্দভাণ্ডাৰ থকা দেখিবলৈ পোৱা যায়। শব্দভাণ্ডাৰৰ এই বিশালতাই সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা পদগঠন প্ৰক্ৰিয়াৰ বিভিন্নতাক সূচায়। আপোনালোকে ইতিমধ্যে জানিছে যে সংস্কৃত ভাষা হ'ল এটা সংযোগাত্মক ভাষা। অৰ্থাৎ ইয়াৰ শব্দগঠন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত সংযুক্ত ব্যৱস্থাৰ আশ্ৰয় লোৱা হয়। সেইবাবে ভাষাবিজ্ঞানৰ এই প্ৰক্ৰিয়াটোৰ অধ্যয়ন অত্যন্ত প্ৰয়োজনীয়। শিক্ষাৰ্থীসকলৰ বিষয়ে ঠিৰাং ধাৰণা আনি দিব এই আশাৰে বৰ্তমান অধ্যয়নত উক্ত বিষয়টোক অন্তৰ্ভুক্ত কৰা হৈছে।

সংযোগাত্মক বা যোগাত্মক ভাষা হোৱা কাৰণে সংস্কৃত ভাষাত ধাতুৰ লগত প্ৰত্যয় উপসৰ্গ আদি সংযুক্ত কৰি পদৰচনা কৰা হয়। প্ৰকৃতি-প্ৰত্যয়-উপসৰ্গৰ সহায়ত সংস্কৃত ভাষাত পদৰূপতাৰ সৃষ্টি হয়। বৈয়াকৰণসকলৰ মতে পদৰ লক্ষণ হ'ল সুপ্-তিঙন্তং পদম্। অৰ্থাৎ ভাষাত ব্যৱহাৰ হোৱা সুপ্‌বিভক্তিযুক্ত অথবা তিঙ্ বিভক্তিযুক্ত এককৰ নামেই হল পদ। সুপ্‌বিভক্তি বুলিলে সু-ঔ-জশ্ আদি শব্দবিভক্তিক বুজায়। আনফালে তিঙ্ বিভক্তি বুলিলে তি-তস্-অন্তি আদি ধাতু বিভক্তিক বুজায়। পাণিনিৰ মতে দুই ধৰণৰ বিভক্তিৰে সংস্কৃত ভাষাত পদ সৃষ্টি হয়। কিন্তু এই প্ৰক্ৰিয়াটো কেবল মাত্ৰ সুবন্ত আৰু তিঙন্ত বিভক্তিৰ সংযোতেই সীমাবদ্ধ নহয়। প্ৰ-পৰা-অপ-সম-অনু-অব-নিৰ্-দুৰ্-অধি-বি-অধি-সু-উৎ-অতি-নি-প্ৰতি-পৰি-অপি-উপ-আ— এই উপসৰ্গ সমূহৰ যোগত, কৃৎ-তদ্ধিত আদি প্ৰত্যয়ৰ সংযোগত, সন্ধি-সমাস আদি ভাষিক প্ৰক্ৰিয়াৰ অধীনত সংস্কৃত ভাষাৰ পদভাণ্ডাৰ সমৃদ্ধ হৈ আহিছে। যোগাত্মক ভাষা হোৱা কাৰণে সংস্কৃত ভাষাত একেটা ধাতুৰ পৰাই একাধিক পদৰচনা কৰাটো সম্ভৱ। যেনে— কৃ ধতুৰ পৰা কৰ্তব্য, কৰনীয়, কাৰ্য, কৃত, কৃতবান্, কৰোতি-অকৰোৎ, চকাৰ, অনুকৃত, বহিষ্কৃত, উপকাৰ, পৰিষ্কাৰ, আকাৰ আদি বহুধৰণৰ শব্দচয়ন কৰা যায়। এই নিয়মৰ

বাবেই সংস্কৃত ভাষাৰ শব্দ ভাণ্ডাৰ বিশল হোৱা বুলি ক'ব পৰা যায়। শব্দ ভাণ্ডাৰৰ প্ৰাচুৰ্যই এই ভাষাক পৃথিৱীৰ সকলো ভাষাসমূহৰ ভিতৰত এটা বিশেষ স্থান দিছে।

১৪.৪.৩ শব্দ ব্যুৎপত্তি বিজ্ঞান বা শব্দাৰ্থ বিজ্ঞান (সংস্কৃত ভাষা প্ৰসঙ্গত)

ভাষাত ব্যৱহাৰ হোৱা পদ বা শব্দই যেতিয়া অৰ্থ বহন কৰে তেতিয়াহে সেই শব্দক ভাষিক দৃষ্টিত মান্যতা দিয়া হয়। মান্যতাপ্ৰাপ্ত শব্দৰ মান্যতাপ্ৰাপ্ত অৰ্থই ভাষাৰ গতিক আগুৱাই লৈ যায়। কিন্তু শব্দৰ পৰা অৰ্থ কেনেকৈ গৃহীত হয় বা পদ এটাই কেনেকৈ অৰ্থৰ লগত সংযুক্ত হয় সেয়া প্ৰত্যেকটো ভাষাৰ বাবে অত্যন্ত প্ৰয়োজনীয় বিষয়। সংস্কৃত ভাষাৰ ক্ষেত্ৰতো এই বিষয়ে কিছু নিৰ্দিষ্ট নিয়ম নীতি আছে। উক্ত নিয়মবোৰৰ বিষয়ে জানিলে সংস্কৃত ভাষাৰ অৰ্থগঠন প্ৰক্ৰিয়াৰ বিষয়টো সহজবোধ্য হ'ব। এই কথা আগত ৰাখি বৰ্তমান অধ্যায়ত উক্ত বিষয়টোক অন্তৰ্ভুক্ত কৰা হৈছে।

এইখিনিতে মনত ৰখা উচিত যে সংযোগাত্মক ভাষাসমূহত প্ৰকৃতি প্ৰত্যয়গত অৰ্থৰ প্ৰাধান্য থাকিলেও বিভিন্ন ভাষিক উপাদানৰ বাবে শব্দৰ অৰ্থ পৰিৱৰ্তন হোৱা দেখা যায়। এই ক্ষেত্ৰত ব্যৱহাৰ হোৱা মূল উপাদানসমূহ হ'ল— অৰ্থবিস্তাৰ (Expansion of meaning), অৰ্থৰ সংকোচন (Contraction of meaning), অৰ্থাদেশ (Transfer of meaning)। সংস্কৃত ভাষাত বহু ক্ষেত্ৰতেই দেখিবলৈ পোৱা যায় যে এটা পদ বা শব্দই নিজৰ প্ৰকৃতি প্ৰত্যয়গত অৰ্থৰ পৰিধি অতিক্ৰম কৰি গৈ আন এটা বিশেষ অৰ্থৰ সূচকৰূপে গৃহীত হৈ আছে। এই প্ৰক্ৰিয়াটোকেই ভাষা বিজ্ঞানৰ দৃষ্টিত অৰ্থবিস্তাৰ বুলি কোৱা হয়। উদাহৰণ হিচাপে আমি সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা কুশল শব্দটো ল'ব পাৰো। কুশং লাতি যঃ সঃ— এই অৰ্থত ব্যৱহাৰ হোৱা কুশল পদটোৰ ব্যুৎপত্তিগত অৰ্থ হ'ল 'যিজনে কুশনামৰ ঘাঁহ আনে'। কিন্তু পৰৱৰ্তী সময়ত 'কুশল' শব্দটোৱে নিপুণ অৰ্থত বিস্তৃতি লাভ কৰা দেখা যায়। যিকোনো কামতে নিপুণ হোৱা জনকেই কুশল বুলি কোৱা হয়।

সেইদৰে, সংস্কৃত ভাষাত দেখা যায় বহু অৰ্থযুক্ত এটা শব্দই পৰৱৰ্তী সময়ত এটা নিৰ্দিষ্ট অৰ্থতে সীমাবদ্ধ ৰূপ গ্ৰহণ কৰিছে। অৰ্থৰ সংকোচনেই এই ব্যৱস্থাৰ কাৰণ। উদাহৰণস্বৰূপে কোৱা যায় যে গৌঃ এই সংস্কৃত শব্দটোৰ অৰ্থ আছিল 'যিয়ে গমন কৰে'— 'গছতীতি গৌঃ'। এই ক্ষেত্ৰত পৃথিৱীৰ গতিশীলতাৰ কথা জানি বৈদিক সমাজত পৃথিৱীক 'গৌঃ' বুলি কোৱা হৈছিল। কিন্তু পৰৱৰ্তীসময়ত এই অৰ্থব্যৱস্থা সংকুচিত হৈ গৌঃ শব্দটোৱে কেৱল প্ৰাণীবাচক গৰুৰ অৰ্থত সীমাবদ্ধ হৈ পৰে। আকৌ, ব্যৱহাৰৰ ফলতো কেতিয়াবা শব্দৰ ক্ষেত্ৰত অৰ্থপৰিৱৰ্তনৰ দিশটো দেখিবলৈ পোৱা যায়। এই বিষয়ত উল্লেখযোগ্য কথাটো হ'ল যে বহু ক্ষেত্ৰতেই শব্দৰ প্ৰকৃতি প্ৰত্যয়গত মূল অৰ্থটো সম্পূৰ্ণৰূপত উপেক্ষিত হৈ পৰে আৰু সেই ঠাই পূৰণ কৰে সম্পূৰ্ণ এটা নতুন অৰ্থই। উদাহৰস্বৰূপে ক'ব পাৰি যে বেদত অসুৰ শব্দটোৱে দেৱতাবাচক আছিল অৰ্থাৎ

অসুৰ পদটোৱে বেদত দেৱতাক বুজাইছিল। কিন্তু পৰৱর্তী সময়ত দেবতা বুজোৱা সুৰ শব্দৰ বিপৰীত শব্দ হিচাপে অসুৰ শব্দক গ্রহণ কৰাৰ প্রৱণতা দেখা যায়। ফলস্বৰূপে ন সুৰঃ - অসুৰঃ অর্থাৎ যিজন দেৱতা নহয়'— এই অর্থৰ ভিত্তিত অসুৰ শব্দক দানৰ অর্থত গ্রহণ কৰা হয়। ভাষাৰ বিষয়ে এনেদৰে হোৱা অর্থপৰিৱর্তনৰ দিশটোক অত্যন্ত স্বাভাৱিক প্রক্রিয়া বুলি ভাষাবৈজ্ঞানিক সকলে গ্রহণ কৰিছে।

এনেদৰে অর্থ পৰিৱর্তনৰ বিষয়টো পৃথিৱীৰ প্রায় সকলো ভাষাতেই অলপ বেচি পৰিমাণে বিদ্যমান। গতিমান ভাষাৰ যাত্রাই হ'ল এই পৰিৱর্তনৰ কাৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ সংস্কৃত ভাষাৰ পদ কেনেদৰে নির্দ্ধাৰিত হয় সেই বিষয়ে চমুকৈ আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন নং ৫ ঃ অর্থৰ পৰিৱর্তন সংস্কৃত ভাষাত কিদৰে হৈছে সেই বিষয়ে এটা চমুটোকা লিখক। (১০০টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন নং ৬ ঃ ধ্বনিবিজ্ঞান অধ্যয়নৰ তাৎপর্যৰ বিষয়ে লিখক (২০০টা শব্দৰ ভিতৰত)।

.....

.....

১৪.৪.৪ বাক্য বিজ্ঞান (সংস্কৃত ভাষা প্রসঙ্গত)

পদৰ নিচিনাকৈ ভাষাৰ আন এটা অত্যন্ত প্রয়োজনীয় উপাদান হ'ল বাক্য। পদসমূহ যেতিয়া একেলগে হৈ এটা সম্পূর্ণ মনৰ ভাৱ প্রকাশ কৰে তেতিয়া তাকেই বাক্য বুলি কোৱা হয়। বাক্যই এটা সংঘবদ্ধ ধাৰণাক ভাষিকৰূপ দিয়ে। বাক্যত একাধিক পদৰ ব্যৱহাৰ হয়। বাক্যৰ উপাদান হিচাপে ব্যৱহাৰ হোৱা পদসমূহৰ স্বাধীন অর্থই বাক্যৰ অর্থনিৰূপণত বহুখিনি সহায় আগবঢ়ায়। কিন্তু এইখিনিতে প্রণিধানযোগ্য বিষয়টো হ'ল যে বাক্যগঠনত ব্যৱহাৰ হোৱা পদসমূহৰ নির্দিষ্ট অর্থৰ উপৰিও সামূহিকভাৱে বাক্যই বিশেষ অর্থ বহন কৰে। সেইকাৰণে ভাষাবিজ্ঞানত বাক্য তথা বাক্যার্থ বিষয়ক অধ্যয়নক যথেষ্ট গুৰুত্ব সহকাৰে গ্রহণ কৰা হয়। সংস্কৃত ভাষাতো এই ধৰণৰ বিষয়টো বিশেষ স্থান অধিকাৰ কৰি আছে। সংস্কৃত ভাষাৰ এই দিশটোত কিছু দার্শনিক তত্ত্বও কার্যকৰী হয়। সেইকাৰণে সংস্কৃত ভাষাৰ বাক্যার্থ বিচাৰ প্রক্রিয়া বা বাক্যবিজ্ঞানৰ বিষয়টোৰ অধ্যয়ন অত্যন্ত প্রয়োজনীয়। এই উদ্দেশ্য আগত ৰাখি উক্ত অধ্যায়ত বর্তমানৰ

বিষয়টো অন্তর্ভুক্ত কৰা হৈছে।

বাক্য বিজ্ঞান বা বাক্যার্থবিচাৰৰ বিষয়টোত প্ৰৱেশ কৰাৰ আগত বাক্যসমূহৰ ৰূপভেদ সম্বন্ধে জানি লোৱা ভাল। সাধাৰণতে বাক্যসমূহ পাঁচপ্ৰকাৰৰ হয়। যেনে— আকৃতিমূলক বাক্য, ৰচনামূলক বাক্য, অর্থমূলক বাক্য, ক্ৰিয়ামূলক বাক্য আৰু শৈলীমূলক বাক্য। প্ৰকৃতিপ্ৰত্যয়মূলক অর্থ সম্বন্ধৰ ভিত্তিত গঢ় লোৱা বাক্যক আকৃতিমূলক বাক্য বা Morphological sentence বোলা হয়। উদাহৰণস্বৰূপে— বৃক্ষাৎ পত্ৰাণি পতন্তি। এই বাক্যত বৃক্ষ পদটোত অপাদান কাৰক ব্যৱহাৰ হৈছে আৰু অপাদানে পঞ্চমী বিভক্তি ব্যৱহাৰ কৰা হৈছে। দ্বিতীয় পদত পত্ৰ শব্দৰ প্ৰথমাৰ বহুবচন ব্যৱহাৰ কৰা হৈছে আৰু ইয়াৰ অর্থ হ'ল পাতবোৰ। তৃতীয় পদত 'পত্' (সৰি পৰা) ধাতুৰ লট্ তি-ৰূপত 'পতন্তি' ৰূপটো গঠন কৰা হৈছে। ইয়াৰ অর্থ হিচাপে ধাতুগত অর্থসাযুজ্যেৰে 'পৰি থকা' বুলি গ্ৰহণ কৰা হৈছে। ফলস্বৰূপে উক্ত বাক্যটোৰ 'গছৰ পৰা পাতবোৰ সৰি আছে'— এই প্ৰকৃতি প্ৰত্যয়গত অর্থ নির্দ্ধাৰিত হৈছে। দ্বিতীয়তে বাক্যৰচনাৰ আধাৰত অর্থ বিশ্লেষণ কৰা বাক্যক ৰচনামূলক বাক্য বা Constructional sentence বোলে। যেনে— যস্যাস্তি বিত্তং স নৰঃ কুলীনঃ— এই বাক্যত প্ৰথম অংশৰ ৰচনাৰ ভিত্তিত দ্বিতীয় অংশৰ অর্থ বিহিত হৈছে। যিজন মানুহৰ ওচৰত ধন আছে— এই ৰচনাক স্থিতি দিবলৈ গৈ 'সেই মানুহজন কুলীন'— এই অংশখিনিৰ অৱতাৰণা কৰা হৈছে। তৃতীয়তে, বিধি নিষেধ— প্ৰশ্ন আদি প্ৰকাশ কৰিবলৈ ব্যৱহাৰ হোৱা বাক্যক অর্থমূলক বাক্য বা Semantical sentence বুলি কোৱা হয়। যেনে— কিম্ তব নাম— এই বাক্যত 'কিম্' অব্যয়ৰ মাজেদি প্ৰশ্ন এটাৰ উত্থাপন কৰা হৈছে। একেদৰে, আহো! দাৰিদ্র্যং নাম ষষ্ঠং মহাপাতকম্— এই বাক্যত 'অহো' পদৰ দ্বাৰা বিস্ময় প্ৰকাশিত হৈছে। এনেকুৱা বাক্যসমূহক অর্থমূলক বাক্য বুলি অভিহিত কৰা হয়। সাধাৰণতে ক্ৰিয়াৰ উপস্থিতি বা অনুপস্থিতিক ভিত্তি কৰি অর্থবহন কৰা বাক্যক ক্ৰিয়ামূলক বাক্য বা Verb-based sentence বুলি কোৱা হয়। যেনে— চন্দ্ৰঃ দৃশ্যতে— এই বাক্যত দর্শন ক্ৰিয়াৰ ভিত্তিতেই বাক্যটোৰ অর্থ প্ৰাধান্য প্ৰতিষ্ঠিত হৈছে। সেইদৰে 'দেশে দুর্ভিক্ষম্'— এই বাক্যত ক্ৰিয়াৰ অস্তিত্ব নাথাকিলেও বাক্যটোৱে দুর্ভিক্ষৰ স্থিতি বুজাইছে। এনেকুৱা বাক্যক ক্ৰিয়ামূলক বাক্য বুলি কোৱা হয়। তদুপৰি, বিশেষশৈলী বা ৰীতিৰ ওপৰত নির্ভৰ কৰি গঢ়ি উঠা বাক্যক শৈলীমূলক বাক্য বা Stylistic sentence বুলি কোৱা হয়। যেনে— 'যতো ধর্মস্ততো জয়ঃ'— এই বাক্যত থকা শব্দচয়ন প্ৰক্ৰিয়াই কবিৰ ৰচনাশৈলীৰ পৰিচায়ক হৈছে। ফলস্বৰূপে এই বাক্যটিয়ে এটা শৈলীচিহ্নিত অর্থ প্ৰকাশ কৰিবলৈ সমর্থ হৈছে। এনেকুৱা বাক্যসমূহ সাধাৰণতে কবিসকলৰ লিখনিত প্ৰকাশ পায়।

বাক্যৰ অর্থবিশ্লেষণৰ প্ৰক্ৰিয়াক আধাৰ কৰি মীমাংসা আদি দর্শনশাস্ত্ৰত, বাক্যপদীয় আদি গ্ৰন্থত গভীৰ দর্শনব্যঞ্জক আলোচনা আগবঢ়োৱা হৈছে।

১৪.৪.৫ ধ্বনি পৰিৱৰ্তনৰ নিয়ম (সংস্কৃত ভাষা প্ৰসংগত)

ভাৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্ভুক্ত সংস্কৃত ভাষাত ধ্বনি পৰিৱৰ্তনৰ বিষয়ে কিছু বিশেষ নীতিৰ অৱলম্বন কৰা হৈছে। মনকৰিবলগীয়া কথাটো হ'ল এই নিয়মবোৰ প্ৰকৃততে নিৰ্দিষ্ট ভাষাত ব্যৱহাৰ হোৱা ধ্বনিসমূহৰ পৰিৱৰ্তনৰ সাধাৰণ নিয়ম বা বিধি। একে পৰিয়ালৰ অন্তৰ্ভুক্ত প্ৰত্যেকটো ভাষাতেই যে প্ৰত্যেকটো বিধি প্ৰযোজ্য হ'ব এনেকুৱা নহয়। কিছু নিৰ্দিষ্ট ভাষাত কিছু নিৰ্দিষ্ট বিধি কাৰ্যকৰী হোৱা দেখা যায়। তলত এই ক্ষেত্ৰত দেখিবলৈ পোৱা কিছু বিশেষ বিধিৰ বিষয়ে আলোচনা কৰা হয়।

(ক) **গ্ৰিমৰ নিয়ম বা গ্ৰিমবিধি** (Grimmis Law) ঃ এই নিয়মৰ প্ৰণেতা হ'ল জেকব গ্ৰিম নামৰ ভাষাবিজ্ঞানীজন। এই নিয়মৰ অধীনত গ্ৰিমে ভাৰোপীয় ভাষাৰ ধ্বনি পৰিৱৰ্তনৰ দিগ্‌দৰ্শন কৰাইছিল। তেওঁৰ মতে প্ৰথম পৰ্যায়ত ভাৰোপীয় ভাষাৰ ক্, ত্, প্, ম্, ধ্, ভ্, গ্, দ্, ব্ —এই নটা ব্যঞ্জনৰ পৰিৱৰ্তন জাৰ্মান আদি ভাষাত দেখা গৈছে। যদিও সংস্কৃত ভাষাত এই ধ্বনিসমূহ বহুখিনি অপৰিৱৰ্তিত ৰূপতেই আছে। গ্ৰিমৰ মতে দ্বিতীয় পৰ্যায়ত জাৰ্মান আদি ভাষাত গ, দ, ব—ৰ ঠাইত ক্, ত্, প্; ক্, ত্, প্— ৰ ঠাইত খ্, থ্, ফ্; খ্, থ্, ফ্—ৰ ঠাইত গ্, দ্, ব্ হোৱা দেখা যায়।

(খ) **গ্ৰাসমানৰ নিয়ম বা গ্ৰাসমানবিধি** (Grassman's Law) ঃ গ্ৰিম বিধিৰ পৰিৱৰ্তন সাপেক্ষে গ্ৰাসমানবিধিৰ অৱতাৰণা হৈছে। গ্ৰাসমান নামৰ ভাষা বিজ্ঞানীয়ে আগবঢ়োৱা এই ধ্বনি পৰিৱৰ্তনৰ নিয়মক গ্ৰাসমানবিধি নামেৰে অভিহিত কৰা হৈছে। এই বিধি অনুসৰি ভাষাত একেলগে দুটা মহাপ্ৰাণ কৰা হৈছে। এই বিধি অনুসৰি ভাষাত একেলগে দুটা মহাপ্ৰাণবৰ্ণৰ উচ্চাৰণ কৰাটো সম্ভৱপৰ নহয় কাৰণে এনেকুৱা দুটা বৰ্ণৰ উপস্থিতিত এটা (প্ৰথমটো) অল্পপ্ৰাণলৈ ৰূপান্তৰিত হয়। যেনে— ধা ধাতুৰ পৰা পোৱা দধাতি পদটো। প্ৰকৃততে দ্বিত্বৰূপত 'ধধাতি' এই প্ৰয়োগত দুটা মহাপ্ৰাণ বৰ্ণৰ উপস্থিতিত প্ৰথম ধ কাৰ অল্প প্ৰাণ বৰ্ণলৈ ৰূপান্তৰিত হৈ দলৈ পৰিৱৰ্তিত হ'ল আৰু দধাতি পদটোৰ ৰূপসিদ্ধি হ'ল।

(গ) **বাৰ্ণাৰৰ নিয়ম বা বাৰ্ণাৰ বিধি** ঃ বাৰ্ণাৰ নামৰ ভাষা বিজ্ঞানীয়ে স্থিৰ কৰা ধ্বনি পৰিৱৰ্তনৰ এই নিয়মক বাৰ্ণাৰ বিধি বুলি কোৱা হয়। বাৰ্ণাৰৰ মতে, ক্, ত্, প্ — এই বৰ্ণসমূহৰ পূৰ্ববৰ্তীস্বৰত যদি বলাঘাত হয় তেনেহ'লে গ্ৰিমবিধি অনুসৰি ক্, ত্, প্ এই বৰ্ণসমূহৰ ঠাইত খ্, থ্, ফ্ বৰ্ণসমূহ হয়। কিন্তু যদি বলামাত পৰৱৰ্তী স্বৰত হয় তেতিয়া ক্, ত্, প্ — এই বৰ্ণসমূহৰ ঠাইত জাৰ্মান ভাষাত গ্ দ্ ব্— এই বৰ্ণসমূহ আহে। এই নিয়মটো স্বৰাঘাত নিৰ্ভৰ। এই বিধিয়ে জাৰ্মান ভাষাৰ ধ্বনি পৰিৱৰ্তনৰ দিশে আগবঢ়োৱা এটা অতি গুৰুত্বপূৰ্ণ ধ্বনিবিধিৰূপে বিবেচিত হৈ আহিছে।

১৪.৫ ভাষা বিজ্ঞানৰ প্ৰয়োজনীয়তা

আপোনালোকে ইতিমধ্যে ভাষাবিজ্ঞানৰ বিষয়বস্তুৰ লগত পৰিচিত হৈছে। ভাষাবিজ্ঞানে এটা নিৰ্দিষ্ট ভাষা বা কিছু সংখ্যক বৰ্গীকৃত ভাষাৰ বিষয়ে বৈজ্ঞানিক অধ্যয়ন আগবঢ়ায়। এই অধ্যয়নে ছাত্ৰ-ছাত্ৰীক ভাষাগত জ্ঞানৰ দিশত আগবঢ়াই লৈ যাব। তদুপৰি সংস্কৃত ভাষাৰ শিক্ষাৰ্থীসকলৰ বাবে ভাষাবিজ্ঞানৰ অধ্যয়ন অত্যন্ত প্ৰয়োজনীয় কাৰণ ভাৰোপীয় ভাষাৰ অন্যতম উপাদান হিচাপে সংস্কৃত ভাষাৰ বৈজ্ঞানিক অধ্যয়নে শিক্ষাৰ্থীসকলক ভাষাবিষয়ক বহুতো তথ্যৰ সম্যক জ্ঞানৰ সন্ধান দিব পাৰে। ইয়াৰ উপৰিও ভাষাবিজ্ঞানৰ অধ্যয়নৰ মাজেদি ব্যাকৰণৰ বহু কথাও জনা যায়। গতিকে কব পৰা যায় যে ভাষাবিজ্ঞান জানিলে নিৰ্দিষ্ট ভাষাৰ বিষয়ে থকা মূল কথাসমূহৰ বিষয়ে অৱগত হোৱা যায়।



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ভাষাবিজ্ঞান শব্দৰ অৰ্থৰ বিষয়ে জানিলে।
- ভাষাবিজ্ঞানৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ল।
- সংস্কৃত ভাষাৰ ধ্বনি, পদ, শব্দাৰ্থ, বাক্য— এই চাৰিটা দিশৰ বিষয়ে থকা মূল কথাবোৰ জানিলে।
- ধ্বনি পৰিৱৰ্তনৰ কিছু নিয়মৰ বিষয়ে অৱগত হ'ল।
- ভাষাবিজ্ঞানৰ প্ৰয়োজনীয়তাৰ বিষয়েও জানিব পাৰিলে।



১৪.৭ অধিক জানিবলৈ

১) ফিল'লজি দি ফৰগ'টন অৰিজিন অব দি মৰ্ডান ডিউমেনিটিছ, জেমছ্ টাৰনাৰ, প্ৰিণ্ছটন ইউনিভাৰ্ছিটি প্ৰেছ, প্ৰিণ্ছটন আই এছ বি এন।

২) এ হেণ্ডবুক অব্ সংস্কৃত ফিল'লজি, সত্যৰঞ্জন বেনাৰ্জী, সংস্কৃত পুস্তক ভাণ্ডাৰ, কলিকতা, ২০০০।



১৪.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৫.৩ অংশৰ পৰা লিখিব লাগিব।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৫.৪ অংশৰ পৰা লিখিব লাগিব।

৩ নং প্রশ্নৰ উত্তৰ ঃ ১৫.৪.১ অংশত থকা প্রযত্নৰ বিষয়ে কৰা আলোচনাৰ পৰা লিখিব লাগিব।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১৫.৪.২ অংশৰ পৰা লিখিব লাগিব।

৫ নং প্রশ্নৰ উত্তৰ ঃ ১৫.৪.৩ অংশৰ পৰা উত্তৰ লিখিব লাগিব।

৬ নং প্রশ্নৰ উত্তৰ ঃ ১৫.৪.১ অংশৰ সাৰাংশৰ পৰা লিখিব লাগিব।



১৪.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভাষাবিজ্ঞান শব্দৰ অর্থ বিশ্লেষণ কৰি ইয়াৰ প্রয়োজনীয়তাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ সংস্কৃত ভাষাৰ ধ্বনি আৰু ধ্বনি পৰিৱর্তনৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ সংস্কৃত ভাষাৰ বাক্যৰ বিষয়ে এটি চমুটোকা লিখক

প্রশ্ন ৪ ঃ চমুটোকা লিখক—

(ক) উচ্চাৰণ স্থান (খ) প্রযত্ন (গ) গ্রিমবিধি (ঘ) গ্রাসমানবিধি (ঙ) ভাষাৰ বর্গীকৰণ

(চ) বাক্যৰ ৰূপভেদ

প্রশ্ন ৫ ঃ ভাষাতত্ত্ব শব্দৰ অর্থ ব্যাখ্যা কৰি ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ এটা তুলনামূলক আলোচনা আগবঢ়োৱা হওঁক।

প্রশ্ন ৬ ঃ ভাষাতত্ত্বৰ বিষয়বস্তু সম্বন্ধে এটা আলোচনা আগবঢ়াওক।

প্রশ্ন ৮ ঃ সংস্কৃত ভাষাৰ বৈশিষ্ট্যবোৰ আলোচনা কৰি ভাৰোপীয় পৰিয়ালৰ ভাষা হিচাপে ইয়াৰ গুৰুত্ব আলোচনা কৰক।

*** ***** ***



প্রসংগ পুথি

১) *Kumarasambhavam*- M. R. Kale. Motilal Banarasidass Publishers, Year–

২) *History of Samikrta Literature*. V. Varadachari, 2nd ed. 1960.

৩) *সংস্কৃত সাহিত্যের ইতিহাস* — ধীৰেন্দ্র নাথ বন্দোপাধ্যায় পশ্চিমবঙ্গ ৰাজ্য পুস্তক পর্ষৎ ২য় সংস্কৰণ ২০১৪। ড° বঙ্কিম চেটার্জী ষ্ট্রিট কলিকতা-৭০০০৭৩।

৪) *সংস্কৃত সাহিত্যসম্ভার* - নং ২ নৱপত্র প্রকাশন, ৩য় সংস্কৰণ ড° বঙ্কিম চেটার্জী ষ্ট্রিট। বছৰ ----- কলিকতা-৭০০০৭৩।

৫) *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*- হৰমোহন দেৱ গোস্বামী, পাণবজাৰ, চন্দ্রপ্রকাশ, গুৱাহাটী, ...

৬) *সংস্কৃত সাহিত্যৰ জিলিঙনি* - কামাখ্যাচৰণ ভাগৱতী ১ম প্রকাশ, ১৯৭৩ গ্রন্থপীঠ, গুৱাহাটী।

৭) *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত* - ড° থানেশ্বৰ শর্মা ১ম প্রকাশ - ১৯৯৫, চন্দ্রপ্রকাশ, গুৱাহাটী।

৮) *কুমাৰসম্ভৱ* - তৃতীয় সর্গ - ড° ইন্দিৰা শইকীয়া বৰা, ২য় প্রকাশ ২০১৬ প্রকাশিকা, পাণবজাৰ, গুৱাহাটী।

৯) দেৱগোস্বামী, হৰমোহন, *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*, চন্দ্র প্রকাশ, গুৱাহাটী।

১০) বন্দোপাধ্যায়, ধীৰেন্দ্র নাথ *সংস্কৃত সাহিত্যেৰ ইতিহাস*। ৱেষ্টবেঙ্গল ষ্টেট, বুক বর্ড ১, বংকিম চ্যাটার্জী ষ্ট্রিট, কলকাতা-৭০০০৭৩।

১১) *সংস্কৃত সাহিত্য সম্ভাৰ* - খণ্ড-২, অনুবাদক সুৰাৰিমোহন মেন - ৩য় সর্গ।

১২) *কালিদাস' চ কুমাৰসম্ভৱম্* - (কেণ্টো - ১-৮) নাগ পাব্লিচার্চ, জৱাহৰনগৰ, দিল্লী-৭।

১৩) *কুমাৰসম্ভৱম্* - (১-৫) সর্গ মহাকবি কালিদাস প্রণীতম্। সম্পাদনা - শ্রীমদ্‌গুৰুনাথ বিদ্যানিধি ভট্টাচার্য সংস্কৃত পুস্তকভাণ্ডাৰ - ৩৮, বিধানসৰণী, কলিকতা - ৭০০ ০০৬।

১৪) বসু (ন্যায়তীর্থ), সুমিতা, (১৪০৭ সাল), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, কোলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

১৫) ঝা, (ড°) শশিনাথ (সম্পাদিত), (২০০২), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, দিল্লী ঃ ভাৰতীয় বিদ্যা প্রকাশন।

১৬) Panda, (Dr.) R. K. (ed.), (2011). *Yajnavalkya-Samhita,* Delhi : Bharatiya Kala Prakashan.

১৭) কাণে, (ড°) পাণ্ডুৰংগ বামন, (১৯৬৩), *ধর্মশাস্ত্র কা ইতিহাস* (হিন্দী), প্রথম ভাগ, লক্ষ্ণৌ ঃ উত্তৰ প্রদেশ হিন্দী সংস্থান।

১৮) বসু (ন্যায়তীর্থ), সুমিতা, (১৪০৭ সাল), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, কোলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

১৯) ফিল'লজি দি ফৰগ'টন অৰিজিন অব দি মর্ডান ডিউমেনিটিছ, জেমছ্ টাৰনাৰ, প্রিণ্ছটন ইউনিভাছিটি প্রেছ, প্রিণ্ছটন আই এছ বি এন- ---

২০) এ হেণ্ডবুক অব্ সংস্কৃত ফিল'লজি, সত্যৰঞ্জন বেনার্জী, সংস্কৃত পুস্তক ভাণ্ডাৰ, কলিকতা, ২০০০।